অসম

# আগন্তুক অসম বিধানসভা নির্বাচনত মিছন ১২৬ৰ লক্ষ্য মুখ্যমন্ত্রীৰ!

আগন্তুক অসম বিধানসভা নির্বাচনত ১২৬খন আসনতে জয়লাভ কৰাৰ লক্ষ্য প্ৰকাশ কৰিছে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই। বর্তমানৰ ১০২খন আসনৰ পৰা পৰৱর্তী নির্বাচনত ১১০ আৰু তাৰ পাছত ১১৫খন আসন লাভৰ লক্ষ্যৰ কথাও উল্লেখ কৰে মুখ্যমন্ত্রীয়ে।

প্রকাশ: ১০ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৪



১২৬ৰ লক্ষ্য মুখ্যমন্ত্রীৰ (AI)

## NewzNow | ডেস্ক | ১০ নৱেম্বৰ, ২০২৬

আগন্তুক অসম বিধানসভা নির্বাচনক লৈ বিজেপি নেতৃত্বাধীন মিত্রজোঁটৰ লক্ষ্য ১২৬খন আসন। ক্রিকেটৰ উদাহৰণ দি নিজৰ নির্বাচনী লক্ষ্যৰ কথা প্ৰকাশ কৰিলে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই। তেওঁৰ মতে, ক্রিকেট খেলপথাৰত এজন বেটছমেনে যেনেকৈ শতক অর্জনৰ লক্ষ্য লৈ খেলপথাৰত নামে, ঠিক তেনেকৈ তেওঁৰো লক্ষ্য ১২৬খন আসনতে জয়লাভ কৰা। মিছন ১২৬ৰ লক্ষ্য অথাৎ ১০২ৰ পৰা ১১০, তাৰ পাছত ১১৫খন আসনৰ লক্ষ্য বিজেপি মিত্রজোঁটৰ

মুখ্যমন্ত্রীয়ে কয় যে, কৱল লক্ষ্য নির্ধাৰণ কৰিলেই নহ'ব, তাৰ বাবে যথেষ্ট কাম কৰিব লাগিব। নগাঁও লোকসভা

নির্বাচনৰ ফলাফলে বিজেপি নেতৃত্বাধীন মিত্রজোঁটক নতুন আশাৰ বাট দেখুৱাইছে বুলিও মন্তব্য কৰে তেওঁ।

তেওঁৰ মতে, বৰ্তমানৰ ১০২খন আসনৰ পৰা পৰৱৰ্তী নিৰ্বাচনত ১১০খন আৰু তাৰ পাছৰ নিৰ্বাচনত ১১৫খন আসন লাভ কৰাৰ লক্ষ্যৰে আগবাঢ়িছে মিত্রজোঁট। এই লক্ষ্য পূৰণৰ বাবে দলটোৱে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে বুলিও উল্লেখ কৰে মুখ্যমন্ত্রীয়ে।

নগাঁও লোকসভা সমষ্টিত বিজেপিৰ জয়ৰ কাৰণ ব্যাখ্যা কৰি মুখ্যমন্ত্রীয়ে কয় যে, জাগীৰোড, ৰহা, নগাঁও আৰু বৰহমপুৰ সমষ্টিত দলটোৰ পৰম্পৰাগত ভোটাৰৰ সমর্থন পূর্বতকৈ বৃদ্ধি পাইছে। এই চাৰিটা সমষ্টিত বিধানসভা নিৰ্বাচনত লাভ কৰা ভোটৰ তুলনাত লোকসভা নিৰ্বাচনত অধিক সমর্থন লাভ কৰা বুলি দাবী কৰে তেওঁ।

আনহাতে, সংখ্যালঘু অধ্যুষিত চামগুৰি, ধিং, ৰূপহী আৰু লাহৰীঘাট সমষ্টিতো ৩০ শতাংশতকৈ অধিক ভোট লাভ কৰা বুলি কয় মুখ্যমন্ত্রীয়ে।

কংগ্রেছ নেতা ৰকিবুল হুছেইনৰ ৰাজনৈতিক ভৱিষ্যৎ সন্দর্ভত সাংবাদিকে সোধা প্রশ্নৰ উত্তৰত মুখ্যমন্ত্রীয়ে কয় যে, নগাঁও লোকসভা নিৰ্বাচনত ৰকিবুল হুছেইন তৃতীয় স্থানত আছিল। তেওঁৰ পৰিয়াল আৰু ৰাজনৈতিক স্থিতিৰ প্রতি জনসাধাৰণৰ সমর্থন হ্রাস পোৱা বুলিও মন্তব্য কৰে মুখ্যমন্ত্রীয়ে।

এনেদৰেই আগন্তুক বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি ১২৬খন আসন লাভৰ আকাংক্ষা প্রকাশ কৰাৰ লগতে ১১০ আৰু ১১৫খন আসনৰ পর্যায়ক্রমে লক্ষ্য নির্ধাৰণ কৰিছে বিজেপি নেতৃত্বাধীন মিত্রজোঁটে।

---

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1781/himanta-biswa-sarma-mission-126-assam-assembly-election-target